জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২/২০২১

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ১২০ খন আই চি ইউ বিচনা আগবঢ়ালে ভাৰতীয় ষ্টেট বেংকে

## হোজাই চৰকাৰী চিকিৎসালয়ত এটা অক্সিজেন উৎপাদন গোট স্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান ডালমিয়া চিমেণ্ট ভাৰত লিমিটেডৰ

## ভাৰতীয় ষ্টেট বেংক আৰু ডালমিয়া চিমেণ্ট ভাৰত লিমিটেডৰ এই বৃহৎ পদক্ষেপৰ বাবে প্ৰতিষ্ঠান দুটাৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২২ মে' ঃ** ৰাজ্যখনৰ ক'ভিড চিকিৎসাৰ দিশত এক বৃহৎ অৱদান হিচাপে ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূব চক্ৰই এছ বি আই ফাউণ্ডেশ্যনৰ সহযোগত আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ১২০ খন আই চি ইউ বিচনা আগবঢ়ায়। এই বিচনা হাস্পতালখনৰ সম্প্ৰসাৰিত ক'ভিড আই চি ইউত ব্যৱহাৰ কৰা হ'ব।

আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুত বৈশ্য আৰু ভাৰতীয় ষ্টেট বেংকৰ মহাপ্ৰৱন্ধক সুৰঞ্জনা দত্তৰ উপস্থিতিত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ পূব চক্ৰৰ মুখ্য মহাপ্ৰৱন্ধক আৰ এছ ৰমেশে আই চি ইউ বিচনাৰ এই অনুমোদন পত্ৰ মুখ্যমন্ত্ৰীক অৰ্পণ কৰে।

মুখ্যমন্ত্ৰীয়ে আই চি ইউ বিচনা প্ৰদান কৰাৰ বাবে ভাৰতীয় ষ্টেট বেংক কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। বেংকটোৰ এই পদক্ষেপে ৰাজ্যখনৰ জটিল ক'ভিড ৰোগীসলকলৰ বাবে উন্নত চিকিৎসা সেৱা অধিক শক্তিশালী কৰি তুলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আনহাতে ক'ভিড চিকিৎসাৰ দিশত আন এক উল্লেখযোগ্য পদক্ষেপ হিচাপে আজি ডালমিয়া চিমেণ্ট ভাৰত লিমিটেডে হোজাই চৰকাৰী চিকিৎসালয়ত এটা অক্সিজেন উৎপাদন গোট স্থাপন কৰাৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ সময়ত ডালমিয়া চিমেণ্ট ভাৰত লিমিটেডৰ উত্তৰ পূবৰ কৰ্প'ৰেট এফেয়াৰ্চ বিভাগৰ উপ-মহাপ্ৰৱন্ধক সাগৰিকা দত্তই এই কথা মুখ্যমন্ত্ৰীক অৱগত কৰে। প্ৰতিষ্ঠানটোৰ এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াক সামাজিক দায়বদ্ধতাৰ প্ৰকৃত উদাহৰণ বুলি অভিহিত কৰে।

আনহাতে ক'ভিড টিকাকৰণ অভিযানক এক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বানলৈ সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি আৰু অসম আৰোগ্য নিধিলৈ সমাজৰ বিভিন্ন স্তৰৰ লোক তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা নিয়মীয়াকৈ বৰঙনি লাভ কৰা হৈছে। ক'ভিড অতিমাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ যুঁজখনত ই বৃহৎ সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

**পুঃডেঃ / বীঃগঃ**
**২২/০৫/২০২১**